# ইৰম শৰ্মিলা ঃ উত্তৰ-পূৰ ভাৰতৰ এক প্ৰতিবাদী সত্তা

**বৰ্ণালী বৰা**
গৱেষক, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়
e-mail : bornaliborah126@gmail.com

**সাৰাংশ ঃ**
*সমাজ, সাহিত্য, অৰ্থনীতি, ৰাজনীতি, ক্ৰীড়াকে আদি কৰি প্ৰায় সকলো দিশতে উত্তৰ-পূৰ ভাৰতৰ নাৰীয়ে সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। উত্তৰ-পূৰ ভাৰতৰে এখন ৰাজ্য মণিপুৰৰ জীয়ৰী ইৰম শৰ্মিলাই ব্যতিক্ৰমী কৰ্মৰাজিৰে সমগ্ৰ ভাৰতৰ লগতে বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। 'লৌহ মানৱী' খ্যাত এইগৰাকী নাৰীয়ে জীৱনৰ ১৬ টা বছৰ মণিপুৰবাসীৰ ন্যায়ৰ বাবে অনশন কৰি কটালে। পৰৱৰ্তী সময়ত শৰ্মিলাই প্ৰত্যক্ষ ৰাজনীতিলৈ আহিব বিচাৰিছিল যদিও তাৰ প্ৰতি মণিপুৰবাসীয়ে বিশেষ সঁহাৰি নজনালে। ১৬ বছৰ জুৰি যি জনতাৰ বাবে বিনা খাদ্যগ্ৰহণেৰে প্ৰতিবাদ-অনশন কৰি আহিছিল, সেই জনতাই ৰাজনীতিৰপৰা ইৰম শৰ্মিলাক আঁতৰত ৰখাৰ আঁৰত বিভিন্ন কাৰণ নিহিত হৈ আছে। এই গৱেষণামূলক প্ৰবন্ধটিত ইৰম শৰ্মিলাৰ প্ৰতিবাদৰ কাৰণ, প্ৰতিবাদৰ স্বৰূপ তথা তাৰ ফলাফল সম্পৰ্কে পৰ্যায়ক্ৰমে আলোচনা কৰা হ'ব।*
**বীজ শব্দ ঃ** *ইৰম শৰ্মিলা, সেনাবাহিনী বিশেষ ক্ষমতা আইন (AFSPA), মেইৰা পাইবি, মণিপুৰ, ভাৰত।*

## ১.০০ অৱতৰণিকা ঃ

### ১.০১ বিষয়ৰ পৰিচয় ঃ

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰে। স্বাধীনতা লাভ কৰা প্ৰক্ৰিয়াটোৰ দৰে স্বাধীনতাৰ পৰৱৰ্তী কালত উত্তৰ-পূৰৰ ৰাজ্যসমূহক ভাৰত ৰাষ্ট্ৰৰ লগত যুক্ত কৰি ৰখাৰ ক্ষেত্ৰত ভাৰতীয় শাসনকৰ্তাসকল কণ্টকময় পথেৰে অগ্ৰসৰ হ'বলগীয়া হৈছিল। উত্তৰ-পূৰ ভাৰতৰ প্ৰতিখন ৰাজ্যৰে স্বকীয় পৰম্পৰা আৰু ইতিহাস আছে। এই পৰম্পৰা আৰু ইতিহাস সম্পৰ্কে অজ্ঞতা, অৱহেলা বা আন কিছুমান কাৰণতেই হওক ভাৰতীয় শাসনকৰ্তাসকলে উত্তৰ-পূৰত শান্তি বৰ্তাই ৰখাৰ স্বাৰ্থত কিছুমান এনে আইন প্ৰণয়ন কৰি আহিছে, যিসমূহে জনসাধাৰণক সন্তুষ্ট কৰাৰ পৰিৱৰ্তে সততে অগ্নিগৰ্ভা পৰিস্থিতিৰহে উদ্ভৱ কৰে। ভাৰত চৰকাৰৰদ্বাৰা গৃহীত 'সেনা বাহিনী বিশেষ ক্ষমতা আইন, ১৯৫৮', চমুকৈ AFSPA হৈছে তেনে এখন আইন। এই আইনৰ অচিলা লৈ ভাৰতীয় সেনাই মানৱ অধিকাৰ খৰ্ব কৰিছে বুলি বিভিন্ন সময়ত অভিযোগ উত্থাপিত হৈ আহিছে। এই AFSPA বাতিলৰ দাবীতেই তথা মণিপুৰৰ শান্তি ঘূৰাই অনাৰ স্বাৰ্থতেই উত্তৰ-পূৰ ভাৰতত 'ইৰম শৰ্মিলা'ৰ দৰে প্ৰতিবাদী সত্তাই মূৰ দাঙি উঠিছিল। এই গৱেষণা প্ৰবন্ধত ইৰম শৰ্মিলাৰ AFSPA বিৰোধী প্ৰতিবাদৰ সবল আৰু দুৰ্বল-উভয় দিশৰ তথ্যনিৰ্ভৰ আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব। তদুপৰি মণিপুৰৰ ৰাজনৈতিক ইতিহাস, নাৰী জাগৰণ আদি সম্পৰ্কে প্ৰসংগ অনুযায়ী আলোচনা কৰা হ'ব।

### ১.০২ গৱেষণা প্ৰশ্ন ঃ

(ক) ইৰম শৰ্মিলাই কিয় প্ৰতিবাদ কৰিবলগীয়া হৈছিল?
(খ) ইৰম শৰ্মিলাৰ প্ৰতিবাদৰ প্ৰতি ৰাজ্য আৰু ৰাষ্ট্ৰৰ সঁহাৰি কেনেধৰণৰ আছিল?
(গ) প্ৰত্যক্ষ ৰাজনীতিৰ ক্ষেত্ৰখনৰপৰা ইৰম শৰ্মিলাক মণিপুৰবাসীয়ে কিয় আঁতৰাই ৰাখিলে?

### ১.০৩ অধ্যয়নৰ উদ্দেশ্য ঃ

(ক) ইৰম শৰ্মিলাৰ প্ৰতিবাদৰ কাৰণ আৰু কাৰক উদঘাটন কৰা।
(খ) ইৰম শৰ্মিলাৰ প্ৰতিবাদৰ প্ৰতি ৰাজ্য আৰু ৰাষ্ট্ৰই জনোৱা সঁহাৰি সম্পৰ্কে আলোচনা কৰা।
(গ) প্ৰত্যক্ষ ৰাজনীতিৰ ক্ষেত্ৰখনত শৰ্মিলাই লাভ কৰা বিফলতাৰ আঁৰৰ কাৰণসমূহত আলোকপাত কৰা।

**১.০৪ অধ্যয়নৰ পৰিসৰ ঃ**

গৱেষণা প্ৰবন্ধটিত ইৰম শৰ্মিলাৰ AFSPA বিৰোধী প্ৰতিবাদৰ কাৰণ, স্বৰূপ তথা তাৰ ফলাফল সম্পৰ্কে আলোচনা কৰা হৈছে। তদুপৰি উত্তৰ-পূৰ ভাৰতৰ প্ৰতি ভাৰতৰ কেন্দ্ৰীয় শাসকসকলৰ অৱহেলা, মণিপুৰৰ স্বকীয় ৰাজনৈতিক ইতিহাস, নাৰী জাগৰণ আদি প্ৰসংগক অধ্যয়নৰ পৰিসৰত সামৰি লোৱা হৈছে।

**১.০৫ অধ্যয়নৰ পদ্ধতি ঃ**

গৱেষণা প্ৰবন্ধটি প্ৰস্তুত কৰোঁতে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ প্ৰয়োগ কৰা হৈছে।

**২.০০ মূল আলোচনা ঃ**

**২.০১ ইৰম শৰ্মিলাৰ জন্ম, বংশ, পৰিচয় ঃ**

১৯৭২ চনৰ ১৪ মাৰ্চত মণিপুৰৰ কংগপাল নামৰ ঠাইত ইৰম শৰ্মিলাৰ জন্ম হৈছিল। তেওঁৰ প্ৰকৃত নাম হৈছে 'ইৰম চানু শৰ্মিলা'। মণিপুৰৰ এক নিম্ন মধ্যবিত্ত পৰিয়ালত জন্মগ্ৰহণ কৰা শৰ্মিলাৰ পিতৃ প্ৰয়াত ইৰম নন্দ সিং আছিল এগৰাকী চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী। মাতৃ ইৰম অঙ্গবী সাক্ষী দেৱী এগৰাকী সাধাৰণ মহিলা। ইৰম শৰ্মিলা এগৰাকী ভাল পঢ়ুৱৈ আছিল আৰু তেওঁ পঢ়া কিতাপবোৰ পঢ়ি শেষ হোৱাৰ পিছত মণিপুৰৰ পুথিভঁৰাললৈ দান কৰিছিল। সাংবাদিকতাকে বৃত্তি হিচাপে লোৱা ইৰমে যোগাসন কৰাৰ লগতে কবিতা ৰচনাৰ প্ৰতিও ৰুচি ৰাখিছিল। ইৰম শৰ্মিলাৰ কবিতা পুথি 'Fragrance of Peace' ২০১০ চনত প্ৰকাশ হৈছে। ইয়াত মুঠ ১২ টা কবিতা সন্নিৱিষ্ট আছে। ২০০০ চনৰ ২ নৱেম্বৰত মণিপুৰৰ 'মালম' নামৰ ঠাইত অসম ৰাইফলছ্‌ৰ জোৱানে কিছুমান নিৰীহ লোকক 'সেনাবাহিনী বিশেষ ক্ষমতা আইন' (AFSPA)ৰ অধীনত গুলীবৰ্ষণ কৰি হত্যা কৰিছিল। এই ঘটনাৰ প্ৰতিবাদত ২০০০ চনৰ ৪ নৱেম্বৰৰপৰা ইৰম শৰ্মিলা অনশনত বহে। ভাৰত চৰকাৰে শৰ্মিলাৰ অনশন ৰোধ কৰিবলৈ চলে-বলে বিভিন্ন কৌশল প্ৰয়োগ কৰে। আনকি সংবিধানৰ ৩০৯ নং ধাৰা অনুযায়ী Attempt to commit suicide-ৰ অধীনত শৰ্মিলাক জেল হাজোতলৈও পঠোৱা হৈছিল। তাত কৰ্তৃপক্ষই জোৰকৈ পাইপেৰে আহাৰ খুৱাই এৰি দিয়ে। অথচ ইয়াৰ মাজতো শৰ্মিলাৰ অনশন ধৰ্মঘট চলি থাকিল। ২০১৬ চনত শৰ্মিলাই অনশন ভংগ কৰি আহাৰ মুখত দিয়ে আৰু প্ৰত্যক্ষ ৰাজনীতিত খোজ দিয়াৰ কথা ঘোষণা কৰে। ২০১৭ চনৰ মণিপুৰৰ বিধানসভা নিৰ্বাচনত ইৰম শৰ্মিলাই The People's Resurgence and Justic Alliance (PRAJA) দলৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। প্ৰত্যক্ষ ৰাজনীতিৰ ক্ষেত্ৰখনত মণিপুৰবাসীয়ে ইৰমক আঁকোৱালি নল'লে। কংগ্ৰেছপ্ৰাৰ্থী অকৰম ইববি সিংহই নিৰ্বাচনত জয়লাভ কৰে আৰু ইৰমে পৰাজয় বৰণ কৰে। নিৰ্বাচনত পৰাজয় বৰ্জন কৰাৰ পাছত ২০১৭ চনত ইৰম শৰ্মিলাই মণিপুৰৰ ত্যাগ কৰি স্বামীৰ সৈতে দক্ষিণ ভাৰতত বসবাস কৰিবলৈ আৰম্ভ কৰিছে। বৰ্তমান শৰ্মিলা দুটা সন্তানৰ মাতৃ। ইৰম শৰ্মিলাক বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠানে বিভিন্ন সন্মানেৰে বিভূষিত কৰিছে। 'লৌহ মানৱী' আৰু 'মেংগউবীখ্যাত শৰ্মিলাক World's longest hunger striker' আখ্যা দিয়া হয়।

**২.০২ প্ৰতিবাদৰ কাৰণ আৰু কাৰক ঃ**

১৮৯১ চনলৈকে মণিপুৰ এখন স্বাধীন ৰাজ্য আছিল। এই চনতেই ই ব্ৰিটিছ ভাৰতৰ অন্তৰ্ভুক্ত হয়। ব্ৰিটিছ ভাৰতৰ অন্তৰ্ভুক্ত হ'লেও মণিপুৰত মূলতঃ ৰজাৰ শাসন চলিছিল। নিৰ্ধাৰিত নিয়মত ৰজাই ব্ৰিটিছ চৰকাৰক কৰ সোধাব লাগিছিল। এনেদৰেই মণিপুৰত ৰাজতান্ত্ৰিক শাসন প্ৰবৰ্তিত হৈ আছিল। ব্ৰিটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱাৰ পাছতো মণিপুৰৰ প্ৰশাসন আৰু সংস্কৃতিৰ ক্ষেত্ৰখনত ব্ৰিটিছে হস্তক্ষেপ নকৰিছিল। গতিকে দেখা যায় যে অতীজৰেপৰা স্বতন্ত্ৰভাৱে বাস কৰি অহা মণিপুৰবাসীয়ে বাহিৰা শক্তিৰ অবাধ হস্তক্ষেপ স্বাভাৱিকতে ভালপোৱা নাছিল। ১৯৪৯ চনত মণিপুৰক যেতিয়া স্বাধীন ভাৰতৰ লগত যুক্ত কৰা হয়, তেতিয়া মণিপুৰৰ জনসাধাৰণে বৰ বেছি ভালপোৱা নাছিল। আৰম্ভণিৰেপৰা তেওঁলোকে স্বতন্ত্ৰ মণিপুৰৰ দাবী কৰি আহিছিল। আনহাতে ভাৰতৰ লগত যুক্ত হোৱাৰ পাছতো মণিপুৰক ভাৰতৰ সংবিধানৰ সা-সুবিধাৰপৰাও বঞ্চিত ৰখা হ'ল। ভাৰত চৰকাৰৰ অৱহেলামূলক কাম-কাজবোৰে মণিপুৰৰ সচেতন মহলক ক্ষুব্ধ কৰি তুলিছিল। এফালে পূৰ পাকিস্তান, আনফালে চীনা শক্তিয়ে এই সুযোগতে মণিপুৰত ৰাষ্ট্ৰবিৰোধী বীজ সিঁচিবলৈও আৰম্ভ কৰিছিল। এনে পৰিপ্ৰেক্ষিতত ভাৰত চৰকাৰে মণিপুৰক নিজৰ অংগ কৰি ৰখা আৰু শান্তি বৰ্তাই ৰখাৰ স্বাৰ্থত বহুতো পদক্ষেপ ল'বলগীয়া হৈছিল; কিন্তু এই পদক্ষেপবোৰে বেছিভাগ সময়তে হিতে বিপৰীত কৰি মণিপুৰক অগ্নিগৰ্ভা কৰি তুলিছিল। "১৯৫৫ চনতহে পৰিস্থিতিৰ সামান্য উন্নতি ঘটাই মণিপুৰক

কেন্দ্ৰীয় শাসিত অঞ্চল (Union Territory)ৰ মৰ্যাদা দিয়া হৈছিল— যি শাসনত চৰকাৰে নিযুক্তি দিয়া এজন প্ৰশাসকে ৰাজ্যৰ প্ৰশাসনৰ মূল সিদ্ধান্ত গ্ৰহণ কৰে আৰু নীতি নিৰ্ধাৰণ কৰে। বহু বছৰ অসমৰ ৰাজ্যপালক এই দায়িত্ব দিয়া হৈছিল। ভাৰতৰ আন ৰাজ্যৰ নিৰ্বাচিত বিধানসভা আৰু মুখ্যমন্ত্ৰী থকা সময়ত নিজৰ ইচ্ছাৰ বিৰুদ্ধে এনে শাসনৰ অধীন হৈ থকাটো সচেতন মণিপুৰীসকলে অন্যায় আৰু অপমানজনক বুলি ভাবিছিল।"[১] ভাৰত চৰকাৰে প্ৰথমৰেপৰা গণতান্ত্ৰিক আলোচনাৰ পথ নলৈ বল প্ৰয়োগেৰে মণিপুৰৰ সমস্যা সমাধান কৰিব বিচাৰিছিল। মণিপুৰৰ ভাষা-সংস্কৃতিৰ প্ৰতিও ই কেতিয়াবা ভাবুকি স্বৰূপ হৈ পৰিছিল। "উদাহৰণস্বৰূপে সংখ্যাগৰিষ্ঠ 'মেইতেই'সকলৰ নিজ ভাষা অগ্ৰাহ্য কৰি চৰকাৰী কাম-কাজত সংখ্যালঘু বিষ্ণুপ্ৰিয়াসকলৰ ভাষাকে অগ্ৰাধিকাৰ দিয়া হৈছিল, কাৰণ বাহিৰৰ শাসনকৰ্তাসকলে বিষ্ণুপ্ৰিয়া ভাষাৰ শব্দৰাজি আৰু ব্যাকৰণৰ লগত অন্যান্য ভাৰতীয় আৰ্যভাষাৰ মিল দেখিছিল। ৰেডিঅ'ত মণিপুৰৰ বাতৰি পঢ়া হৈছিল বিষ্ণুপ্ৰিয়া ভাষাত।"[২] ভাৰত চৰকাৰৰ এনে পদক্ষেপে স্বাভাৱিকতে মণিপুৰবাসীক ক্ষুব্ধ কৰি তুলিছিল। তেওঁলোকৰ প্ৰতিবাদ, ধৰ্ণায়ো কেন্দ্ৰীয় চৰকাৰৰ গা লৰাব পৰা নাছিল। ফলশ্ৰুতিত বিচ্ছিন্নতাবাদী আৰু স্বাধীনতাকামী মনোভাবে মণিপুৰবাসীৰ মাজত গা কৰি উঠিছিল। এই মনোভাবে লাহে-লাহে বিপ্লৱী সংগঠনৰ জন্ম দিয়াত সাৰ-পানী যোগাইছিল। বিপ্লৱী সংগঠনসমূহৰ নেতাসকল সততে কেন্দ্ৰীয় চৰকাৰৰ লগত সংঘৰ্ষত লিপ্ত হৈ পৰিছিল। তেওঁলোকে দীৰ্ঘকাল জুৰি ভাৰত চৰকাৰৰপৰা পোৱা দমন-অৱহেলাৰ পোতক তুলি মণিপুৰক 'স্বাধীন' কৰিবলৈ বিভিন্ন প্ৰকাৰে প্ৰচেষ্টা হাতত লৈছিল। আনহাতে ভাৰত চৰকাৰে সেই বিদ্ৰোহ দমনৰ নামত বল প্ৰয়োগৰ সহায় লৈছিল। ফলত মণিপুৰৰ শান্ত পৰিৱেশ অশান্ত আৰু সন্ত্ৰাসজৰ্জৰ ভূমিলৈ পৰ্যবসিত হৈ পৰিল। বিপ্লৱী সংগঠনসমূহক মষিমূৰ কৰি মণিপুৰত শান্তিৰ পৰিৱেশ ঘূৰাই আনিবলৈ ভাৰত চৰকাৰে এইবাৰ এখন নতুন আইনৰ সহায় ল'লে। সেয়া হ'ল 'সেনা বাহিনী বিশেষ ক্ষমতা আইন, ১৯৫৮'— যাক চমুকৈ AFSPA বুলি কোৱা হয়। এই আইনৰ অধীনত কেন্দ্ৰীয় চৰকাৰে সেনা বাহিনীৰ সন্ত্ৰাস দমনৰ বাবে সৰ্বোচ্চ ক্ষমতা প্ৰদান কৰি তিনিমাহৰ ভিতৰত সন্ত্ৰাসবাদ দমনৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰিবলৈ আদেশ দিলে। এই আইন অনুযায়ী বিদ্ৰোহ দমনৰ স্বাৰ্থত সেনাবাহিনীৰ নিম্নশ্ৰেণীৰ এজন বিষয়ায়ো সন্দেহজনক যিকোনো ব্যক্তিক বিনা বিচাৰে গুলীয়াই হত্যা কৰিব পাৰে। ভাৰত চৰকাৰে বিদ্ৰোহ দমনৰ বাবে জাৰী কৰা এই আইনে মণিপুৰলৈ শান্তি ঘূৰাই অনাৰ বিপৰীতে মণিপুৰবাসীৰ মানৱ অধিকাৰ পৰ্যন্ত খৰ্ব কৰিবলৈ আৰম্ভ কৰিলে। মণিপুৰত AFSPA-ৰ অপপ্ৰয়োগ ঘটিবলৈ ধৰিলে। বিনা বিচাৰে হত্যা আনকি ধৰ্ষণৰ ঘটনাও ঘটিল। "আনকি বিদ্ৰোহ দমনত কৃতিত্ব প্ৰতিপন্ন কৰিবলৈকো সম্পূৰ্ণ নিৰপৰাধ; বিদ্ৰোহৰ লগত নামমাত্ৰ সম্পৰ্কও নথকা লোককো হত্যা কৰা হৈছে। অলপতে 'টেহেল্‌কা' নামৰ আলোচনীৰ কেমেৰামেনে কেমেৰাত দাঙি ধৰি ৰাখিছিল কেনেকৈ এজন সম্পূৰ্ণ নিৰপৰাধ যুৱকক নিৰাপত্তা বাহিনীৰ লোকে শীতল মস্তিষ্কৰে খেদি খেদি হত্যা কৰিছিল।"[৩] AFSPA ৰ অধীনত সেনা বাহিনীৰ এনে মানৱ অধিকাৰ ভংগকাৰী কাৰ্যৰ স্বাভাৱিকতে মণিপুৰবাসীয়ে তীব্ৰ বিৰোধিতা কৰিছিল। ২০০০ চনৰ ২ নৱেম্বৰত AFSPA-ৰ অধীনতে অসম ৰাইফলছ্‌ৰ জোৱানে 'মালম' নামৰ এখন ঠাইত বাছৰ বাবে ৰৈ থকা দহগৰাকী লোকক সন্ত্ৰাসবাদীৰ লগত সম্পৰ্ক ৰখাৰ সন্দেহত নৃশংসভাৱে গুলীয়াই হত্যা কৰে। এই ঘটনাই মণিপুৰবাসীৰ মনত ভাৰত চৰকাৰৰ প্ৰতি ক্ৰোধৰ দাৱানলৰ সৃষ্টি কৰে। মণিপুৰৰ জীয়ৰী ইৰম শৰ্মিলাই এই ঘটনাৰ দুদিনৰ পাছতে অৰ্থাৎ ২০০০ চনৰ ৪ নৱেম্বৰৰপৰা AFSPA বাতিলৰ প্ৰতিবাদেৰে অনশনত বহে। শৰ্মিলাই ঘোষণা কৰে যে, যেতিয়ালৈকে ভাৰত চৰকাৰে AFSPA দৰে গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰা আইন বাতিল নকৰে, তেতিয়ালৈকে তেওঁ অন্নৰ এটা দানাও মুখত নিদিয়ে। শৰ্মিলাৰ এই ব্যতিক্ৰমী প্ৰতিবাদে মণিপুৰবাসীক শোকজৰ্জৰ কৰি তুলিলে। শৰ্মিলাৰ প্ৰতিবাদত তেওঁলোকে যে এক নতুন আশাৰ বাট দেখা পালে। যি বাটেৰে গৈ তেওঁলোকে মণিপুৰৰ পূৰ্বৰ শান্তিৰ পৰিৱেশ ঘূৰাই আনিব পাৰিব। আনফালে ইৰম শৰ্মিলায়ো মণিপুৰবাসীৰ আশাক বাস্তৱ ৰূপ দিবৰ বাবে ১৬ বছৰ জুৰি অনশন চলাই গ'ল। এই অনশনত শৰ্মিলাই ব্যক্তিগত জীৱন আৰু শৰীৰক সমাজৰে হকে দান কৰি এক সামূহিক চৰিত্ৰলৈ ৰূপান্তৰিত হৈছিল। যি সামূহিক চৰিত্ৰই ৰাষ্ট্ৰৰদ্বাৰা প্ৰান্তীয়কৃত, অৱদমিত এচাম মানুহৰ অৱৰুদ্ধ মনোবেদনা আৰু ক্ষোভ প্ৰতিবাদক অহিংসৰূপত বিশ্ববাসীৰ আগত দাঙি ধৰিলে।

**২.০৩ প্ৰতিবাদৰ স্বৰূপ আৰু তাৰ প্ৰতি ৰাজ্য, ৰাষ্ট্ৰৰ সহাঁৰি ঃ**

২০০০ চনৰ ২ নৱেম্বৰত অসম ৰাইফলছ্ৰ জোৱানে অগণতান্ত্রিক আৰু অবিচাৰভাৱে মণিপুৰত পুৰুষ-মহিলা-শিশু সমন্বিতে নিৰীহ লোকৰ ওপৰত আতিশয্য চলোৱাৰ পাছত উত্তৰ-পূৰ্বাঞ্চলত বলবৎ হৈ থকা 'সেনাবাহিনী বিশেষ ক্ষমতা আইন, ১৯৫৮' (AFSPA)ৰ বাতিলৰ দাবীত ইৰম শৰ্মিলা নামৰ মণিপুৰী মহিলাগৰাকী আমৰণ অনশনত বহিছিল। তেওঁ পণ লৈছিল যে, যেতিয়ালৈকে AFSPA-ৰ দৰে আইন মণিপুৰৰপৰা প্ৰত্যাহাৰ কৰা নহ'ব, তেতিয়ালৈকে তেওঁ একো খাদ্য গ্ৰহণ নকৰে; নখ আৰু চুলিৰ যতন নলয়। ইৰম শৰ্মিলাৰ এই AFSPA বিৰোধী প্ৰতিবাদৰ প্ৰতি মণিপুৰৰ জনসাধাৰণে সম্পূৰ্ণ সঁহাৰি দিছিল। ইৰম শৰ্মিলাৰ প্ৰতিবাদত সহায় কৰিবলৈ মণিপুৰৰ মহিলাসকল বিশেষভাৱে আগবাঢ়ি আহিছিল। AFSPA বিৰোধী এই প্ৰতিবাদৰদ্বাৰা ইৰম শৰ্মিলাই মণিপুৰৰ নাৰীসকলৰ মাজত এক জাগৰণৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। মণিপুৰৰ এক প্ৰধান মাতৃ সংগঠন 'মেইৰা পাইবি'ৰ সদস্যসকলে ইৰমৰ প্ৰতিবাদত সকলো ধৰণৰে সহযোগিতা আগবঢ়াইছিল। ১৯৮০ চনত ভাৰতীয় সেনাই এজন নিৰ্দোষী ল'ৰাক হত্যা কৰাৰ প্ৰতিবাদত 'মেইৰা পাইবি'ৰ জন্ম হৈছিল। 'মেইৰা পাইবি'য়ে সততে ভাৰতীয় সেনাৰ অমানৱীয় কাৰ্যৰ প্ৰতিবাদ কৰি আহিছিল। ইৰম শৰ্মিলাৰ অনশনে যেন তেওঁলোকক যেন এক নতুন শক্তি প্ৰদান কৰে। ২০০৪ চনৰ ১৫ জুলাইত 'মেইৰা পাইবি'য়ে মনোৰমা দেৱীৰ ধৰ্ষণ আৰু হত্যাৰ উলংগ প্ৰতিবাদ কৰি মণিপুৰী নাৰীৰ চমকপ্ৰদ শক্তিৰ উমান দিয়ে। AFSPA-ৰ অধীনত সন্দেহজনক কাৰণত মণিপুৰী নাৰী মনোৰমা দেৱীক ভাৰতীয় সেনাই হত্যা কৰাৰ লগতে ধৰ্ষণ কৰা বুলিও অভিযোগ উত্থাপিত হয়। এই ঘটনা তথা মেইৰা পাইবিৰ ব্যতিক্ৰমী প্ৰতিবাদে সমগ্ৰ বিশ্বকে সচকিত কৰি তুলিবলৈ সক্ষম হৈছিল। 'মেইৰা পাইবি'ৰ নেতৃত্বত বহুসংখ্যক নাৰীয়ে ৰাজপথত উলংগ হৈ Indian Army Rape us, Kill us, Flesh us ধ্বনিৰে মণিপুৰৰ আকাশ-বতাহ উত্তপ্ত কৰি তুলিছিল।

ইৰম শৰ্মিলাৰ অনশনে মণিপুৰত AFSPA বিৰোধী প্ৰতিবাদক তীব্ৰ কৰি তোলাত সহায় কৰিছিল। আনফালে ইৰমৰ ভোক হৰতালে কেন্দ্ৰীয় চৰকাৰক চিন্তিত কৰি তুলিছিল। কাৰণ এগৰাকী নাৰী যি নিজ ৰাজ্যৰ কণ্ঠক প্ৰতিনিধিত্ব কৰি বিনা আহাৰে প্ৰতিবাদ কৰি আছে, সেই নাৰীৰ কিবা হানি হ'বলৈ হ'লে মণিপুৰৰ জনতাই তাৰ বাবে চৰকাৰকে দোষী ঠাৱৰ কৰিব। তেনে অৱস্থাত মণিপুৰত চৰকাৰ বিৰোধী বিদ্ৰোহক লেকাম লগোৱাটো সম্পূৰ্ণৰূপে অসম্ভৱ হৈ পৰিব। সেয়েহে ভাৰত চৰকাৰে ইৰমৰ ভোক হৰতালক সংবিধানৰ ৩০৯ নং ধাৰামতে Attempt to suicide-ৰ দোষত দোষী সাব্যস্ত কৰি গ্ৰেপ্তাৰ কৰে। এই ধাৰামতে আত্মহত্যা কৰিবলৈ চেষ্টা কৰা ব্যক্তিজনে ১ বছৰৰ জেলত কটাব লাগে। আইনৰ দোহাই দি চৰকাৰী সেনাৰ হতুৱাই ২০০০-২০১৪ চনলৈকে ইৰমক জেললৈ জোৰ কৰি অনা-নিয়া কৰি থকা হৈছিল। আৰক্ষীয়ে প্ৰতিবাদথলীৰপৰাই ইৰমক জেললৈ লৈ গৈ জোৰেৰে আহাৰ খুৱাই পুনৰ এৰি দিয়ে। মুখেৰে খুৱাব নোৱাৰি জোৰকৈ পাইপেৰে আহাৰ খুওৱাৰ ব্যৱস্থাও কৰ্তৃপক্ষই কৰিছিল যাতে ইৰমৰ মৃত্যু নঘটে। গোটা খাদ্যৰ অভাৱত ইৰম শৰ্মিলা দুৰ্বল হৈ পৰিছিল যদিও তেনেদৰেই তেওঁ দিল্লীৰ যন্তৰ-মন্তৰলৈ গৈয়ো প্ৰতিবাদ কৰিছিল। ইৰম শৰ্মিলাৰ এই কঠোৰ প্ৰতিবাদে কিন্তু কেন্দ্ৰীয় চৰকাৰৰপৰা বিশেষ সঁহাৰি লাভ কৰিব পৰা নাছিল। কংগ্ৰেছৰ মনমোহন সিঙেই হওক বা বিজেপিৰ নৰেন্দ্ৰ মোডী; এজনো প্ৰধানমন্ত্ৰীয়ে ইৰমৰ লগত মণিপুৰৰ সমস্যাৰ বিষয়ে আলোচনা কৰিবলৈ অহা নাছিল। আন্না হাজাৰেই মাত্ৰ ১৩ দিন অনশন কৰোঁতেই পৰিৱৰ্তনৰ লহৰ আহিছিল। চৰকাৰ, সংবাদ মাধ্যমৰ গুৰুত্ব লাভ কৰিছিল। অথচ ১৬ বছৰ অনশন কৰিও ইৰম শৰ্মিলাৰ প্ৰতিবাদে চৰকাৰ আৰু ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰপৰা বিশেষ গুৰুত্ব লাভ নকৰাটোৱে ইৰম শৰ্মিলাৰ লগতে তেওঁৰ সহকৰ্মীসকলক হতাশ আৰু ক্ষুব্ধ কৰি তুলিছিল। মণিপুৰৰ এগৰাকী সমাজকৰ্মীয়ে এটা সাক্ষাৎকাৰত কৈছে— "It is only when Anna Hazare or someone from India fasts it matters to the state. Except India, it nowhere happens in the world"[৪] চৰকাৰ, ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰপৰা সঁহাৰি নাপালেও ইৰম শৰ্মিলাৰ প্ৰতিবাদে দেশৰ অন্যান্য ৰাজ্য তথা সংগঠনৰ সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছিল। "সদৌ অসম ছাত্ৰ সন্থা, নাগা ষ্টুডেণ্টছ ফেডাৰেচন, খাচি ষ্টুডেণ্ট ইউনিয়ন, সদৌ মণিপুৰী ছাত্ৰ সন্থা, সদৌ অৰুণাচল ছাত্ৰসন্থা, মিজো জিৰালি পাৱল, খাচি ছাত্ৰ সন্থা আৰু ত্ৰিপুৰাৰ ছাত্ৰ সন্থাৰ সমন্বিতে সংগঠন নেছ'ৰে গুৱাহাটীৰ দীঘলী পুখুৰীৰ পাৰত

বিয়লি ৪ বজাৰপৰা ৬ বজালৈ ২৫ এপ্ৰিল মংগলবাৰে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰৰ দাবী জনোৱাৰ লগতে ইৰম শৰ্মিলাৰ গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়ায়। ... ধৰ্মঘটকাৰীসকলে ‘আমি ইৰম শৰ্মিলাৰ লগত আছোঁ’, ‘ইৰম শৰ্মিলা উত্তৰ-পূৰ্বাঞ্চলৰ সাহস’, ‘ৰাষ্ট্ৰীয় সংবাদ মাধ্যমে অৱজ্ঞা কৰিলেও তুমি উত্তৰ-পূৰ্বাঞ্চলৰেই’, ‘ৰাষ্ট্ৰীয় সংবাদ-মাধ্যমক ধিক্কাৰ’ আদি শ্লোগানপূৰ্ণ প্লেকাৰ্ড প্ৰদৰ্শন কৰে।”[৫] ২০০৪ চনত ইৰম শৰ্মিলা প্ৰমুখ্যে দল-সংগঠনৰ দাবীৰ প্ৰতি সঁহাৰি জনাই চৰকাৰে ন্যায়াধীশ জীৱন ৰেড্ডীৰ নেতৃত্বত আইনখনৰ প্ৰয়োগ সম্পৰ্কে তদন্ত কৰিবলৈ কমিটী গঠন কৰি দিছিল। AFSPA -ৰ অপব্যৱহাৰৰ প্ৰমাণ পাই কমিটীয়ে তাক বাতিলৰ পৰামৰ্শ দিছিল যদিও সেয়া বাস্তৱত ফলপ্ৰসূ নহ’ল। চৰকাৰৰ প্ৰতিশ্ৰুতি বুমেৰাং হৈ দেখা দিলে। এনে এক নিৰাশাপূৰ্ণ পৰিস্থিতিতেই ইৰম শৰ্মিলাই ২০১৬ চনৰ ২৬ জুলাইত অনশন ভংগ কৰি আহাৰ মুখত তুলি লয়। লগতে এই বুলি ঘোষণা কৰে যে অনশন ভংগ মানে AFSPA বিৰোধী প্ৰতিবাদৰ অৱসান নহয়। তেওঁ কেৱল মাত্ৰ প্ৰতিবাদৰ মাধ্যমহে সলনি কৰিব, প্ৰতিবাদ নহয়। ইৰম শৰ্মিলাই কয় যে যি দাবী তেওঁ ১৬ বছৰ অনশনত বহিও পূৰণ কৰাব নোৱাৰিলে, সেয়া তেওঁ প্ৰত্যক্ষ ৰাজনীতিলৈ আহি পূৰণ কৰিব। এনেদৰেই শৰ্মিলাৰ প্ৰত্যক্ষ ৰাজনীতিৰ যাত্ৰা আৰম্ভ হৈ পৰে।

**২.০৪ প্ৰত্যক্ষ ৰাজনীতিত খোজ আৰু ইয়াৰ পৰিণতি ঃ**

২০১৬ চনৰ ২৬ জুলাইত ইৰম শৰ্মিলাই অনশন ভংগ কৰি ২০১৭ চনত হ’বলগীয়া বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি ঘোষণা কৰে। লগতে তেওঁ মণিপুৰৰ মুখ্যমন্ত্ৰী হোৱাৰ আশাও ৰাইজৰ সন্মুখত ব্যক্ত কৰে। ইয়াৰ লগে লগে মণিপুৰত এক সুকীয়া পৰিস্থিতিৰ উদ্ভৱ হয়, যাৰ কল্পনা হয়তো শৰ্মিলাই প্ৰত্যক্ষ ৰাজনীতিত খোজ দিয়াৰ সিদ্ধান্ত লওঁতে কৰা নাছিল। ৰাষ্ট্ৰৰ পৰাতো ইৰমে প্ৰথমৰপৰাই বিশেষ সঁহাৰি লাভ কৰা নাছিল— ক্ৰমাগতভাৱে মণিপুৰবাসীৰ সঁহাৰিও কমি আহিবলৈ ধৰিছিল। ইৰম শৰ্মিলাৰ সমৰ্থনকাৰীসকলৰ মাজতে দৃষ্টিভংগীগত অমিল ঘটি বিভাজন হ’বলৈ আৰম্ভ হ’ল। ইয়াৰ মাজতে নিজৰ সিদ্ধান্তত অবিচল থাকি ইৰম শৰ্মিলাই The People’s Resurgence and Justice Alliance (PRAJA) নামৰ এটা ৰাজনৈতিক দল গঠন কৰে। ২০১৭ চনৰ বিধানসভা নিৰ্বাচনত ‘খুৰাই’ (Khurai) আৰু ‘খাংগাবুক’ (Khangabok) সমষ্টিৰপৰা ইৰমে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। অথচ দুখৰ কথা যে এই নিৰ্বাচনত ইৰমৰ জয় নহ’ল। ইৰমে কেৱল মাত্ৰ ৯০ টা ভোট লাভ কৰাৰ পৰিৱৰ্তে প্ৰতিদ্বন্দ্বী নেচনেল কংগ্ৰেছৰ ইববি সিংহই ১৮৬৪৯ টা ভোট লাভ কৰি জয়লাভ কৰে। এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা মুঠ পাঁচোজন প্ৰাৰ্থীৰ ভিতৰত ইৰমে লাভ কৰা ভোটৰ সংখ্যাই কম আছিল। আনকি মানুহে NOTA-ত দিয়া ভোটৰ সংখ্যাও ইৰমে লাভ কৰা ভোটতকৈ অধিক আছিল। ১৬ বছৰ জুৰি যিসকল লোকৰ বাবে অনাহাৰে প্ৰতিবাদ কৰি আহিল, সেইসকল লোকৰপৰা পোৱা এনে প্ৰত্যুত্তৰে স্বাভাৱিকতে ইৰম শৰ্মিলাক সম্পূৰ্ণৰূপে ভাঙি পেলালে। ইৰমৰ সমান্তৰালভাৱে গণতান্ত্ৰিক প্ৰতিবাদত বিশ্বাসী প্ৰতিজন নাগৰিকক এই পৰাজয়ে হতাশগ্ৰস্ত কৰি তুলিলে। দৰাচলতে ইৰমে অনশন ভংগ কৰি প্ৰত্যক্ষ ৰাজনীতিলৈ অহাৰ সিদ্ধান্ত লোৱাৰ সময়ৰেপৰা ইৰম আৰু তেওঁৰ সমৰ্থনকাৰী মণিপুৰবাসীৰ মাজত ভুল বুজাবুজি আৰম্ভ হৈছিল। ১৬ বছৰ অনশন কৰিও AFSPA বাতিল হোৱাৰ সম্ভাৱনা নেদেখি ইৰম শৰ্মিলাই প্ৰত্যক্ষ ৰাজনীতিৰ অংশীদাৰ হৈ গণতান্ত্ৰিক ব্যৱস্থাৰ কেৰোণবোৰ আঁতৰাব বিচাৰিছিল। ‘হিন্দুস্তান টাইম্‌ছ’ৰ এটা সাক্ষাৎকাৰত শৰ্মিলাই কৈছে—“Now its time for change in the mode of struggle. Politics is dirty but people should be there to change it. I wish other people accept my change.”[৬] — কিন্তু মণিপুৰৰ জনগণে শৰ্মিলাৰ এই পদক্ষেপক শুদ্ধ নুবুলিলে। তেওঁৰ সহকৰ্মীসকলৰ মতে শৰ্মিলাই ৰাজনীতিত যোগদান কৰাটো একেবাৰে উচিত নাছিল। কোনো কোনোৰ মতে অনশন ভংগ কৰি ৰাজনীতিলৈ যোৱাৰ সিদ্ধান্ত শৰ্মিলাৰ সম্পূৰ্ণ ব্যক্তিগত সিদ্ধান্ত; এই সিদ্ধান্ত গ্ৰহণৰ বাবে শৰ্মিলাই মণিপুৰবাসীৰ লগত কোনো আলোচনা কৰা নাছিল। গতিকে স্বাভাৱিকতে তেওঁলোক ইৰম শৰ্মিলাৰ সিদ্ধান্তৰ প্ৰতি ৰুষ্ট হৈছিল। তদুপৰি অনশন ভংগৰ পাছত ইৰম শৰ্মিলাৰ বৰ্তমানৰ স্বামী ডেচমণ্ডৰ লগত ঘনিষ্ঠতা বাঢ়ি অহাটো মণিপুৰবাসীয়ে সমালোচনাৰ চকুৰে চাইছিল। তেওঁলোকৰ অভিযোগ আছিল যে শৰ্মিলাই প্ৰতিবাদ আধাতে এৰি নিজৰ ব্যক্তিগত জীৱনক অধিক গুৰুত্ব দিছে। তেওঁলোকে আশা কৰিছিল যে ইৰমে AFSPA বিৰোধী

প্ৰতিবাদ আৰু বেছি আগুৱাই নিব। আনহাতে নিৰ্বাচন সমাগত হোৱাৰ লগে লগে বিৰোধী শক্তিসমূহে ইৰমৰ বিপক্ষে বিভিন্ন অপপ্ৰচাৰতো লিপ্ত হৈছিল। ইৰমক বিচ্ছিন্নতাবাদী, ৰাষ্ট্ৰদ্ৰোহী, এণ্টি-বিজেপি শক্তি আখ্যা দি জনমানসত হেয় প্ৰতিপন্ন কৰাৰ প্ৰয়াস চলিল। ৰাজনীতিত এইবোৰ তেনেই সাধাৰণ কথা যদিও এইসমূহে মণিপুৰবাসীক ইৰম শৰ্মিলাক নিজৰ মুখ্যমন্ত্ৰী হিচাপে ভবাৰ সুযোগ নিদিলে। ৰাজনীতিৰ মেৰ-পেচত শৰ্মিলাৰ ১৬ বছৰীয়া অনশনৰ কোনো গুৰুত্ব নাথাকিল। নিৰ্বাচনৰ শোচনীয় পৰাজয়ত ভাগি পৰা ইৰম শৰ্মিলাই 'হিন্দুস্তান টাইমছ'ৰ এটা সাক্ষাৎকাৰত কৈছিল—"I want to be successful with the struggle but nobody standing with me in reality. People thinks I am Iron. I am very hurt. people think that I will fast unto death, that I have given up my life for the cause. Nobody knows about what I am in reality."[৭]

ইৰম শৰ্মিলাৰ AFSPA বিৰোধী প্ৰতিবাদত আৰম্ভণিৰেপৰা পৰিকল্পিত আঁচনিৰ অভাৱ আছিল, যাৰ বাবে এই প্ৰতিবাদ ফলপ্ৰসূ হোৱাত বাধা আহি পৰিল। বহু সময়ত এইপ্ৰতিবাদ সম্পূৰ্ণৰূপে আৱেগৰদ্বাৰা নিয়ন্ত্ৰিত আছিল বুলিলেও ভুল কোৱা নহ'ব। ৰাষ্ট্ৰই জাৰি কৰা আইন এখন হেঁচা প্ৰয়োগ কৰি বাতিল কৰোৱাৰ ক্ষেত্ৰত আৱেগৰ লগতে যুক্তিৰো যথেষ্ট প্ৰয়োজন আছিল। ইৰম শৰ্মিলাই যুক্তি দাঙি ধৰিছিল যদিও বিভিন্ন পক্ষই সেই কণ্ঠক প্ৰান্তীয়কৃত কৰিছিল, যিদৰে উত্তৰ-পূৰৰ সমস্যা আৰু প্ৰগতিক অতীজৰেপৰা প্ৰান্তীয়কৰণ (Marginalize) কৰি অহা হৈছে। আনফালে পুৰুষতান্ত্ৰিক মানসিকতাৰে পৰিচালিত সমাজব্যৱস্থাত এগৰাকী নাৰীয়ে কিদৰে অকলে এখন ৰাজ্য শাসন কৰিব পাৰিব, সেই সম্পৰ্কেও মানুহৰ মনত প্ৰশ্নবোধক চিহ্নৰ উদ্ভৱ হৈছিল। মুঠৰ ওপৰত ইৰম শৰ্মিলাৰ প্ৰতিবাদ দুই ধৰণেৰে প্ৰান্তীয়কৃত হৈছিল— এক উত্তৰ-পূৰৰ মানুহৰ প্ৰতিবাদ হিচাপে, দুই এগৰাকী নাৰীৰ প্ৰতিবাদ হিচাপে। ইৰম শৰ্মিলাই যদি প্ৰত্যক্ষ ৰাজনীতিলৈ অহাৰ সুযোগ পালেহেঁতেন তেতিয়া হয়তো মণিপুৰৰ ৰাজনীতিত বহুতো নতুন দিশৰ সংযোজন বিয়োজন হ'লহেঁতেন।

**২.০৫ বৰ্তমান সময়ত ইৰম শৰ্মিলা ঃ**

প্ৰত্যক্ষ ৰাজনীতিৰ ক্ষেত্ৰখনত শোচনীয়ভাৱে পৰাজয় লাভ কৰাৰ পিছত ইৰম শৰ্মিলাই হতাশগ্ৰস্ত হৈ ভৱিষ্যতে ৰাজনীতিৰ ক্ষেত্ৰত ভৰি নিদিয়াৰ সংকল্প লৈছে। বৰ্তমান তেওঁ নিজ স্বামী আৰু দুটা যমজ সন্তানৰ সৈতে সাধাৰণ মানুহৰ দৰে জীৱন-যাপন কৰি আছে। মণিপুৰ ত্যাগ কৰি তেওঁ দক্ষিণ ভাৰতৰ বাংগালুৰুত নিগাজিকৈ বাস কৰিবলৈ আৰম্ভ কৰিছে। মণিপুৰৰ সমস্যাৰ প্ৰতি শৰ্মিলাৰ কণ্ঠ অৱশ্যে আজিও সৰৱ।

**৩.০০ উপসংহাৰ ঃ**

**৩.০১ সামগ্ৰিক সিদ্ধান্ত ঃ**

(ক) ইৰম শৰ্মিলাৰ প্ৰতিবাদে উত্তৰ-পূৰৰ জনতাৰ প্ৰতি ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰই স্বাধীনতাৰ পিছৰেপৰা চলাই অহা অৱহেলা-অৱদমনৰ বিৰুদ্ধে জনসাধাৰণৰ ক্ষোভ আৰু বিদ্ৰোহাত্মক মনোভাৱক প্ৰতিনিধিত্ব কৰে। যেতিয়ালৈকে চৰকাৰে উত্তৰ-পূৰৰ সমস্যাসমূহৰ গভীৰত প্ৰৱেশ কৰি গণতান্ত্ৰিক আলোচনাৰ মাধ্যমেৰে সমাধানৰ বাবে আগবাঢ়ি নাহিব তেতিয়ালৈকে এনেধৰণৰ প্ৰতিবাদ নিত্য নতুন ৰূপত মূৰ দাঙি উঠিয়েই থাকিব।

(খ) ইৰম শৰ্মিলাৰ প্ৰতিবাদে মণিপুৰত আশাৰ জোৱাৰ তুলিছিল যদিও শৰ্মিলাই প্ৰত্যক্ষ ৰাজনীতিত খোজ থোৱাটো মণিপুৰবাসীয়ে উচিত বুলি গণ্য কৰা নাছিল। ইৰম শৰ্মিলাৰ প্ৰতিবাদৰ দুৰ্বল দিশ বুলিলে অপৰিপক্ব আঁচনি, আৱেগনিৰ্ভৰ সিদ্ধান্ত, প্ৰতিবাদকাৰীৰ মাজৰ ভুল বুজাবুজিৰ কথা ক'ব লাগিব। এইসমূহৰ বাবেই হয়তো ১৬ বছৰ জুৰি নিজ ৰাজ্যবাসীৰ সম্পূৰ্ণ সঁহাৰি পোৱাৰ পাছতো নিৰ্বাচনত শোচনীয়ভাৱে পৰাজয় বৰণ কৰিছিল। বোকা ছটিওৱা ৰাজনীতি, কেন্দ্ৰ আৰু সংবাদ মাধ্যমৰ অৱহেলাকো ইৰম শৰ্মিলাৰ পৰাজয়ৰ অন্যতম কাৰণ বুলিলে ভুল নহ'ব। তদুপৰি পুৰুষতান্ত্ৰিক সমাজে ইৰম শৰ্মিলা নাৰী হোৱা হেতুকে প্ৰত্যক্ষ ৰাজনীতিত অকলে বৰ বেছি প্ৰভাৱ পেলাব পাৰিব বুলিও বিশ্বাস কৰিব পৰা নাছিল।

**৩.০২ অধ্যয়নৰ সীমাবদ্ধতা আৰু ভৱিষ্যত অধ্যয়নৰ প্ৰয়োজনীয়তা ঃ**

অসমীয়া সাহিত্যত ইৰম শৰ্মিলাৰ প্ৰতিবাদী সত্তা সম্বন্ধে বৰ বিশেষ আলোচনা হোৱা নাই। এই বিষয়ত অধিক অধ্যয়নে ভাৰতীয় গণতন্ত্ৰ আৰু ৰাজনীতিৰ প্ৰকৃত স্বৰূপ বুজাত সহায় কৰিব। তদুপৰি উত্তৰ-পূৰ্বাঞ্চলৰ সমস্যাসমূহৰ সমাধানৰ অৰ্থে ইৰম শৰ্মিলাৰ দৰে প্ৰতিবাদী সত্তাৰ প্ৰকৃত স্বৰূপ বিশ্লেষণৰ যথেষ্ট প্ৰয়োজনীয়তা আছে।

**প্ৰসংগ-সূত্ৰ ঃ**

১. হীৰেন গোহাঁই, উত্তৰ-পূৰ ভাৰতৰ জীৱন্ত বিবেক ঃ ইৰম শৰ্মিলা', *তাইৰ নাম ইৰম শৰ্মিলা, হিৰণ্যময়ী বৰুৱা*

২. উল্লিখিত।

৩. উল্লিখিত।

৪. Aparajita Sharmah, Irom Chanu Sharmila and the movement against Armed Forces Special Powers Act (AFSPA), *Space and Culture, India,* P-24

৫. হিৰণ্যময়ী বৰুৱা, *তাইৰ নাম ইৰম শৰ্মিলা,* পৃ. ৮২

৬. https://youtu.be/v81uncfhjdw

৭. উল্লিখিত।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

**অসমীয়া গ্ৰন্থ ঃ**

বৰুৱা, হিৰণ্যময়ী ঃ *তাইৰ নাম ইৰম শৰ্মিলা,* শান্তি প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১১

**ইংৰাজী গ্ৰন্থ ঃ**

Mehrotra, Deeptipriya : *Burning Bright Irom Sharmila and the struggle for Peace in Manipur.* Penguin India, 8 July, 2009

**গৱেষণামূলক প্ৰবন্ধ ঃ**

Sharmah, Aparajita : *Irom Chanu Sharmila and the movement against Armed Forces Special Powers Act (AFSPA), Space and Culture, India,* Volume 1, February 2014, Published by: ACCB Publishing, England.

**অনলাইন ভিডিঅ' ঃ**

Irom Sharmila: Beyond the Iron lady, youtu.be, 2016, August 19, http://youtube/v81uncfhjdw